**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

অসম মন্ত্ৰীসভাই নামৰূপ সাৰ কাৰখানাৰ এম’নিয়া ইউৰিয়া প্ৰকল্পৰ কাম কৰি থকা আছাম ভেলী সাৰ আৰু ৰাসায়নিক কোম্পানী লিমিটেডত এহেজাৰ ২৭২ দশমিক ৯ কোটি টকাৰ ইকুইটি বিনিয়োগত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই কথা উল্লেখ কৰে। তেওঁ কয়, যে ১০ হাজাৰ ৬০১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই এম’নিয়া ইউৰিয়া প্ৰকল্পত বছৰি ১২ লাখ ৭ হাজাৰ মেট্ৰিকটন ইউৰিয়া সাৰ উৎপাদন হ’ব। তদুপৰি এই প্ৰকল্পই ৪৬০ গৰাকী স্থায়ী আৰু এহেজাৰ ৫০০ গৰাকী অস্থায়ী কৰ্মচাৰী নিয়োগৰ সুযোগ সৃষ্টি কৰিব বুলিও তেওঁ উল্লেখ কৰে।

মন্ত্ৰীসভাই চলিত বৰ্ষৰ ১ জুলাইৰ পৰা ৰাজ্য চৰকাৰৰ পেঞ্চনাৰ আৰু কৰ্মচাৰীসকলৰ মৰগীয়া বানচ বৰ্তমানৰ ৫৫ শতাংশৰ পৰা ৫৮ শতাংশলৈ বৃদ্ধিত অনুমোদন জনায়।

ইপিনে, শিল্পী জুবিন গাৰ্গৰ স্থায়ী সমাধি নিৰ্মাণৰ বাবে লোকনিৰ্মাণ বিভাগক দায়িত্ব অৰ্পণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। লোকনিৰ্মাণ বিভাগে প্ৰস্তুত কৰা পৰিকল্পনা চূড়ান্ত ৰূপ দিয়াৰ বাবে ৰাজ্য চৰকাৰে এখন বিশেষ সমিতি গঠন কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। এই সমিতিত শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, ডঃ পামী বৰঠাকুৰ, শ্যামন্তক গৌতম, পাৰ্থ সাৰথি মহন্ত, বীৰেণ সিংহ, পুলক বেনাৰ্জী, অনুৰাধা শৰ্মা পূজাৰী, প্ৰাঞ্জল শইকীয়া, দুলাল মান্‌কি আৰু তৰালী শৰ্মা সদস্য হিচাপে থাকিব।

মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতত চলিব বুলি প্ৰকাশ কৰি কয়, যে নৱেম্বৰত গোচৰৰ অভিযোগনামা দাখিল কৰা হ’ব।

বাইট

ডঃ শৰ্মাই কয়, যে বিচাৰৰ বাবে বিশেষ চৰকাৰী অধিবক্তাক নিয়োগ কৰা হ’ব আৰু পৰৱৰ্তী সময়ত চৰকাৰী অধিবক্তাৰ নাম ঘোষণা কৰা হ’ব।

মন্ত্ৰী সভাই কালি সত্ৰ আয়োগ গঠনৰ উদ্দেশ্যে অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক, ২০২৫ত অনুমোদন জনায়। উচ্চ ন্যায়ালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশ প্ৰস্তাৱিত সত্ৰ আয়োগৰ অধ্যক্ষ হিচাপে থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে সত্ৰসমূহৰ পৰা দুগৰাকী সত্ৰাধিকাৰক আয়োগৰ সদস্য হিচাপে মনোনীত কৰিব।

০০০০০০

ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ত কালি ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান তথা প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযানৰ পৃষ্ঠপোষকতাত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত **এন ই পি ২০২০ৰ আওতাত অত্যাধুনিক গৱেষণাৰ পৰামৰ্শ** শীৰ্ষক দুদিনীয়া শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ প্ৰদীপ কুমাৰ বৰুৱাই এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা সংকল্প মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত কালি ডিব্ৰুগড় পৌৰ নিগমৰ সভাকক্ষত জিলা সমাজ কল্যাণ বিষয়া প্ৰশান্ত বৰাৰ সভাপতিত্বত **কৰ্মক্ষেত্ৰত মহিলাৰ ওপৰত হোৱা যৌন নিৰ্যাতন প্ৰতিৰোধ, নিষেধাজ্ঞা আৰু প্ৰতিকাৰ আইন ২০১৩** সন্দৰ্ভত এখন সজাগতামূলক আলোচনা সভা অনুষ্ঠিত হয়। বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী তথা প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত সভাত আইনগত বিধি আৰু প্ৰতিটো কাৰ্যালয়তে গঠন কৰিবলগীয়া কমিটিসমূহৰ কৰ্তব্যৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলা প্ৰশাসনে যোৱা ৯ অক্টোবৰত অসম-মেঘালয় সীমান্তৰ তাপাতত সংঘটিত সংঘৰ্ষত নিহত অবিৰেল তিমুৰ মৃত্যুৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছে। পশ্চিম কাৰ্বি আংলঙৰ অতিৰিক্ত জিলা দণ্ডাধীশ হিমাদ্ৰী শেখৰ বৰদলৈয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি, আজি খান্দুলিস্থিত সীমান্ত পহৰাচকীত এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হ'ব। কোনো ব্যক্তি, সংগঠন বা বেচৰকাৰী সংস্থাই এই সন্দৰ্ভত যিকোনো তথ্য-প্ৰমাণ বা নথি লিখিতভাৱে দাখিল কৰিব পাৰিব। পুৱা ১১ বজাত এই প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০

লখিমপুৰ জিলা টাইকোৱানডো সন্থাৰ অধীনৰ সদৰ আৰু তেলাহী টাইকোৱানডো একাডেমীৰ তিনিগৰাকী খেলুৱৈয়ে ৬৯ সংখ্যক ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়া প্ৰতিযোগিতালৈ নিৰ্বাচিত হৈছে। নিৰ্বাচিত খেলুৱৈকেইগৰাকী হ'ল দিশা প্ৰিয়া সোণোৱাল, গিৰি শংকৰ কোঁৱৰ আৰু ৰনিতা কাকতি।

০০০০০০

সমাপ্ত